জগদুৰাৰ ঃ এজন সংবাদদাতা, ৪ জুলাই ঃ টায়কত লাম্পি ৰোগৰ ভয়াহ সংক্ৰমণৰ বাবে চিন্তিত হৈ পৰিছে গোপালকসকল। এই বিষয়ে 'দৈনিক জনমভূমি' কাকতত সবিস্তাৰে প্ৰকাশ পাছতে তৎপৰ হৈ পৰিছে যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰ আৰু যোৰহাট পশুপালন বিভাগ। টায়কৰ ওপৰ শুশুনাগাঁৱা অঞ্চলৰ লুইতপাৰীয়া এম ই জুলত এখন সজাগতা সভাৰ আয়োজন কৰা হয়। যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী তথা পশুপালন বিভাগৰ বিশেষজ্ঞ ডাঃ প্ৰভাত বৰুৱা, ৰজাবাৰীৰ পশুপালন বিভাগৰ চিকিৎসক প্ৰকাশ প্ৰাণ বৰা, চেলেংহাট পশুপালন বিভাগৰ চিকিৎসক সপোনজ্যোতি ভূঞা উপস্থিত হৈ বাইজৰ মাজত সজাগতা সৃষ্টি কৰাৰ লগতে কৰীয়া গো-ধনসমূহৰ চিকিৎসা প্ৰদান কৰে। লগতে ক্ষয়হো যোগান ধৰে। সাম্প্ৰতিক সময়ত ৰাজ্যৰ বিভিন্ন ঠাইৰ গো-ধনৰ মাজত লাম্পি নামৰ চৰ্মৰোগৰ প্ৰাদুৰ্ভাব হৈছে। বিশেষকৈ যোৰহাট জিলাৰ বিভিন্ন অঞ্চলত ধাৰাবাহিকভাবে বৃষ্টি পাইছে এইবিধ মাৰাত্মক ৰোগ। টায়কৰ ভগামুখ, মৰিজাজী, লাহেৰাৰা, চাৰিঙীয়া, তামুলীগাঁও, শুশুনাপাৰা বেছিভাগ অঞ্চলতে পশু চিকিৎসকৰ পৰামৰ্শ অবহেলা আক্ৰান্তৰ আৰম্ভণিতে পশু চিকিৎসকৰ পৰামৰ্শ তথা চিকিৎসাত যথেষ্ট গুৰুত্ব দিয়া হৈছে। এই ক্ষেত্ৰত লাম্পি ৰোগ বিয়পা প্ৰতিৰোধ কৰিবলৈ পশুপালন বিভাগ আৰু যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ পশু চিকিৎসকে গোপালকসকলৰ বাবে কিছুমান প্ৰতিৰোধমূলক ব্যবস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে। লাম্পি ৰোগ প্ৰতিৰোধ কৰাৰ বাবে সকলো পশুপালকে গোধনসমূহ টিকাকৰণ কৰা, ৰোগটো বিয়পা প্ৰতিহত কৰিবলৈ মহ-তাঁহ নিয়মুগা কৰা, জীৱনাশক ব্যৱহাৰ কৰি মহৰ প্ৰজনন হোৱা দিকোনো পানী পৰিষ্কাৰ কৰাৰ লগতে চাৰিওফালৰ এলেকাবোৰ পৰিষ্কাৰ কৰি ৰখিবলৈ অনুৰোধ জনায়। যদি লাম্পি ৰোগৰ প্ৰাদুৰ্ভাব হয় তেন্তে আন গোধনলৈ ভাইৰাছ বিয়পা প্ৰতিহত কৰিবলৈ সংক্ৰমিত জন্তুবোৰক সুদূ নোহোৱালৈকে আঁতৰাই ৰখাৰ কাৰ্যকৰী কৰি পশুপালকসকলে লাম্পি ৰোগৰ আশংকা হ্ৰাস কৰাত সহায় কৰিব পাৰে বুলি মতপোষণ কৰে পশু চিকিৎসকসকলে।

Date: 04.07.2023

Efforts of Jorhat Animal Husbandry Department and Krishi Vigyan Kendra to prevent lump disease

KVK Jorhat, Assam


সত্যনিষ্ঠ সাংবাদিকতাত উৎসর্গিত

ওৱাহাটী, যোৰহাট আৰু লখিমপুৰৰ পৰা প্ৰকাশিত

আমাৰ অসম

Amar Axom

বিশ্ব জুন'ছিছ দিৱস পালন

জগদুৰাৰ ঃ এজন সংবাদদাতা, ৬ জুলাই ঃ বিশ্ব জুন'ছিছ দিৱস উপলক্ষে আজি ৰাজ্যিক পশু চিকিৎসালয় ভগামুখত পশুপালন বিভাগ আৰু যোৰহাটৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ সহযোগত লাম্পি ৰোগৰ সন্দৰ্ভত সজাগতা সভাৰ লগতে চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। শিবিৰত বহু সংখ্যক লাম্পি ৰোগত আক্ৰান্ত গো-ধনৰ চিকিৎসা প্ৰদান কৰা হয়। সভাত গো পালকসকলৰ মাজত লাম্পি ৰোগৰ বিষয়েও বিশদভাৱে আলোচনা কৰা হয়। শিবিৰত কৃষি বিজ্ঞান কেন্দ্ৰ যোৰহাটৰ পশু চিকিৎসক প্ৰভাত বৰুৱাৰ সক্ৰিয় সহযোগত পশু চিকিৎসক প্ৰকাশপ্ৰাণ বৰা, পশু চিকিৎসক ৰাজীৱ দুৱৰা, পশু চিকিৎসক সপোনজ্যোতি ভূঞা, অশোক দাস আৰু ডবিৰাম দাস উপস্থিত থাকে। টায়ক ৰাজহ চক্ৰৰ অধীনৰ গ্ৰামাঞ্চলত ভয়াৱহভাৱে সংক্ৰমণ ঘটিছে লাম্পি ভাই�ৰাছৰ। আক্ৰান্ত হৈছে শ শ গো-ধন। পোনপ্ৰথমে দেশৰ গুজৰাট আৰু ৰাজস্থানত সংক্ৰমণ আৰম্ভ হোৱা পশুধনৰ গাত দেখা দিয়া ৰোগবিধ পাছলৈ দেশৰ ১৫খন ৰাজ্যলৈ সংক্ৰমণ ঘটাত লাখ লাখ পশুধনৰ মৃত্যু ঘটিছিল। ভাইৰাছত শেহতীয়াকৈ ৰাজ্যৰ থলুৱা গো-ধন আক্ৰান্ত হোৱা বিষয়টোক লৈ উদ্বিগ্ন হৈ পৰিছে গো-পালকসকল।

Date: 06.07.2023

World Zoonosis Day observed

KVK Jorhat, Assam

Date: 11.07.2023

নির্ভীক সাংবাদিকতাৰ প্ৰতীক

দৈনিক জনমভূমি

Doinik Jonombhumi

ৰাষ্ট্ৰীয় মীন দিৱস পালন

যোৰহাট, ১১ জুলাই : সোমবাৰে সমগ্ৰ ভাৰতবৰ্ষৰ লগতে কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ উদ্যোগত টীয়কৰ কাকজান দুলীয়া গাঁৱত 'ৰাষ্ট্ৰীয় মীন পালক দিৱস'ৰ পালন কৰা হয়। কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ মীন বিজ্ঞান বিভাগৰ কাৰ্যসূচী সহযোগী জীৱনজ্যোতি য়েইনে আঁত ধৰা অনুষ্ঠানটোত আদৰণী ভাষণ আগবঢ়ায় কেন্দ্ৰটোৰ জ্যেষ্ঠ বিজ্ঞানী আৰু মুৰব্বী ডঃ সঞ্জয় ৰৱঠাকুৰে। অনুষ্ঠানটোত পশ্চিম টীয়ক গাঁও পঞ্চায়তৰ সভানেত্ৰী মমী গগৈ ৰৱা, দুলীয়া গাঁৱৰ গাঁওপ্ৰধান ভূপেন চন্দ্ৰ বড়া, পূব যোৰহাট উন্নয়ন খণ্ড, চেলেংহাটৰ পশুপালন বিষয়া ডাঃ সপোন জ্যোতি ভূঞা, কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ কৃষি অৰ্থনীতি বিভাগৰ বিশেষজ্ঞা তৃষ্ণালী শইকীয়া, কৃষি বিজ্ঞান, যোৰহাটৰ পশু পালন বিভাগৰ বিশেষজ্ঞ ডঃ প্ৰভাত বৰুৱা, ক্ষেত্ৰ সমন্বয়ক মল্লিকা বৰুৱা উপস্থিত থাকে। অনুষ্ঠানটোত কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ কেইবাজনো বিষয়া-কৰ্মচাৰীৰ লগতে প্ৰায় ৫০ জন মীনপালক উপস্থিত থাকে। কাৰ্যসূচী সহযোগী জীৱন জ্যোতি য়েইনে ১০ জুলাইত সমগ্ৰ দেশে ৰাষ্ট্ৰীয় মীনপালক দিৱস উদ্‌যাপন কৰা উদ্দেশ্য ব্যাখ্যাৰ লগতে বিজ্ঞানসম্মত আৰিষ্ট প্ৰজনন পদ্ধতিৰ দ্বাৰা মাছপোনা উৎপাদনৰ বিষয়তো অৱগত কৰে। গাঁও প্ৰধান ভূপেন চন্দ্ৰ বড়াই

National Fish Farmers Day observed

KVK Jorhat, Assam

Date: 13.07.2023

সত্যনিষ্ঠ সাংবাদিকতাত উৎসর্গিত
ওৱাহাটী, যোৱহাট আৰু লখিমপুৰ পৰা প্ৰকাশিত
আমাৰ অসম
Amar Axom

টীয়কৰ দুলিয়া গাঁৱত 'ৰাষ্ট্ৰীয় মীন পালক দিৱস' পালন



নিজা বাতৰি দিওঁতা

টীয়ক, ১৩ জুলাই ঃ সমগ্ৰ ভাৰতবৰ্ষৰ লগতে কৃষি বিজ্ঞান কেন্দ্ৰ, যোৱহাটৰ উদ্যোগত কাকজান দুলিয়া গাঁৱত ১০ জুলাইত 'ৰাষ্ট্ৰীয় মীন পালক দিৱস' পালন কৰা হয়। কৃষি বিজ্ঞান কেন্দ্ৰ, যোৱহাটৰ মীন বিজ্ঞান বিভাগৰ কাৰ্যসূচী সহযোগী জীৱন জ্যোতি য়েইনে আঁত ধৰা অনুষ্ঠানটিত আদৰণী ভাষণ দিয়ে কেন্দ্ৰটিৰ জ্যেষ্ঠ বিজ্ঞানী আৰু মুৰব্বী ড° সঞ্জয় বৰঠাকুৰে। জীৱন জ্যোতি য়েইনে 'ৰাষ্ট্ৰীয় মীন পালক দিৱস' উদযাপন কৰা উদ্দেশ্য লগতে বিজ্ঞানসম্মত আৰিষ্ট প্ৰজনন পদ্ধতিৰ দ্বাৰা মাছপোনা উৎপাদন সম্পৰ্কতো আলোকপাত কৰে। গাঁও প্ৰধান ভূপেন চন্দ্ৰ বড়াই মীনপালনৰ ক্ষেত্ৰত দুলিয়া গাঁৱৰ বাইজে সম্মুখীন হোৱা অসুবিধা সমূহৰ বিষয়ে অৱগত কৰে। ৭নং পশ্চিম টীয়ক গাঁও পঞ্চায়তৰ সভানেত্ৰী মমী গগৈ ৰবাই বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগত যোগাযোগ ৰাখি মীনপালকসকলক মীনপালনত আগবাঢ়ি যাবলৈ আহান জনায়। এই অনুষ্ঠানত দুলিয়া গাঁৱৰ গাঁও প্ৰধান ভূপেন চন্দ্ৰ বড়া, পূৰ যোৱহাট উন্নয়ন খণ্ড, চেলেংহাটৰ পশুপালন বিষয়া ড° সপোন জ্যোতি ভূঞা, কৃষি বিজ্ঞান কেন্দ্ৰ, যোৱহাটৰ কৃষি অৰ্থনীতি বিভাগৰ বিশেষজ্ঞা তৃষ্ণাঞ্জলী শইকীয়া, কৃষি বিজ্ঞান, যোৱহাটৰ পশু পালন বিভাগৰ বিশেষজ্ঞ ড° প্ৰভাত বৰুৱা, ক্ষেত্ৰ সমন্বয়ক মণিকা বৰুৱা উপস্থিত আছিল।

*Celebrate National Fish Farmers Day at Dulia gaon, Teok

KVK Jorhat, Assam

দৈনিক অসম
Doinik Axom

Date: 07.8.2023

বালিজনীয়াৰ পথাৰত 'কিষাণ ড্রোন'ৰ প্রযুক্তি প্রদর্শন

নিজা বাতৰি দিওঁতা
টীয়ক, ৬ আগষ্ট ঃ যোৰহাট জিলা কৃষি বিভাগ আৰু যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ যুটীয়া উদ্যোগত ৩ আগষ্টত নকছাৰী কৃষি উন্নয়ন চক্ৰৰ বালিজনীয়া গাঁৱৰ কৃষিভূমিত প্রদর্শনীমূলকভাবে 'কিষাণ ড্রোন'ৰ সহায়ত জৈৱিক সাৰ, কীটনাশক দ্রব্য প্রয়োগ কৰা হয়। 'কিষাণ ড্রোন'ৰ সহায়ত জৈৱিক সাৰ, কীটনাশক দ্রব্য প্রয়োগ কৰা এই কার্যসূচী উদ্বোধন কৰে নবনিযুক্ত যোৰহাট জিলা কৃষি বিষয়া তনয়জ্যোতি গগৈয়ে। তেওঁ কয় যে 'কিষাণ ড্রোন'ৰ সহায়ত জৈৱিক সাৰ, কীটনাশক দ্রব্য প্রয়োগে অসমৰ কৃষি খণ্ডলৈ আমূল পৰিবর্তন কঢ়িয়াই কৃষি খণ্ডত যথোপযুক্ত যন্ত্ৰৰ প্রয়োগে কৃষকৰ উৎপাদন বৃদ্ধি কৰাৰ লগতে অসমৰ কৃষি অর্থনীতি সবল কৰি তুলিব। তেওঁ লগতে কয়—জিলা কৃষি বিভাগে কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ সকলো আঁচনিৰ সুবিধা উপযুক্ত কৃষকে লাভ কৰাটো নিশ্চিত কৰিবলৈ পদক্ষেপ গ্রহণ কৰিছে।



কৃষি বিজ্ঞান কেন্দ্ৰৰ ৰূপজ্যোতি চুতীয়াই ড্রোন প্রযুক্তিৰ লাভালাভসমূহৰ বিষয়ে বিশদভাবে বর্ণনা কৰাৰ লগতে কৃষকৰ পথাৰত ড্রোনৰ জৰিয়তে সাৰ ছটিওৱা পদ্ধতি প্রদর্শন কৰে। এই কার্যসূচীত টীয়ক কলিয়াপানীস্থিত যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ডঃ সঞ্জয় ৰঙঠাকুৰ, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ৰূপম কাকতি, নকছাৰী কৃষি উন্নয়ন চক্ৰৰ কৃষি উন্নয়ন বিষয়া প্রিয়াংকু মজুমদাৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়বস্তু বিশেষজ্ঞা তৃষালী শইকীয়া, শর্মিষ্ঠা ৰঙগোহাঁই, কার্যসূচী সহযোগী ৰূপজ্যোতি চুতীয়া, প্রকল্প সহযোগী প্রাৰন দেৱৰাজ, গৱেষণা প্রকর্মী পলাশ শইকীয়া, জিতেন দাস আৰু অঞ্চলটোৰ বহুসংখ্যক প্রগতিশীল কৃষক উপস্থিত থাকে।

Demonstration of Drone to farmer in Balijonia field

KVK Jorhat, Assam

সত্যনিষ্ঠ সাংৱাদিকতাত উৎসর্গিত
গুৱাহাটী, যোৰহাট আৰু লখিমপুৰ পৰা প্রকাশিত
আমাৰ অসম
Amar Axom

Date: 04.08.2023


যোৰহাট জিলাত 'কিষাণ ড্রন'ৰ সহায়ত জৈৱিক সাৰ, কীটনাশক দ্রব্য প্রয়োগ

যোৰহাট ঃ ৪ আগষ্ট ঃ যোৰহাট জিলা কৃষি বিভাগ আৰু যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ যুটীয়া উদ্যোগত ৩ আগষ্টত নকছাৰি কৃষি উন্নয়ন চক্ৰৰ বালিজনীয়া গাঁৱৰ কৃষিভূমিত প্রদর্শনীমূলকভাৱে 'কিষাণ ড্রন'ৰ সহায়ত জৈৱিক সাৰ, কীটনাশক দ্রব্য প্রয়োগ কৰা হয়। কার্যসূচীত যোৰহাট জিলা কৃষি বিষয়া তনয় জ্যোতি গগৈ, টীয়ক কলিয়াপানীস্থিত যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ডঃ সঞ্জয় ৰঙঠাকুৰ, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ৰূপম কাকতী, নকছাৰি কৃষি উন্নয়ন চক্ৰৰ কৃষি উন্নয়ন বিষয়া প্রিয়াংকু মজুমদাৰ আৰু অঞ্চলটোৰ ভালেমান প্রগতিশীল কৃষক উপস্থিত আছিল। 'কিষাণ ড্রন'ৰ সহায়ত জৈৱিক সাৰ, কীটনাশক দ্রব্য প্রয়োগ কৰা কার্যসূচী উদ্বোধন কৰি যোৰহাটৰ নবনিযুক্ত জিলা কৃষি বিষয়া তনয় জ্যোতি গগৈয়ে কয় যে 'কিষাণ ড্রন'ৰ সহায়ত জৈৱিক সাৰ, কীটনাশক দ্রব্য প্রয়োগে অসমৰ কৃষিখণ্ডলৈ আমূল পৰিবর্তন আনিব। কৃষি খণ্ডত যথোপযুক্ত ৰূপত যন্ত্ৰৰ প্রয়োগে উৎপাদন বৃদ্ধি কৰাৰ লগতে অসমৰ কৃষি অর্থনীতি সবল কৰিব।

Organic fertiliser and pesticide application with Kisan Drone in Jorhat district

KVK Jorhat, Assam

Date: 04.08.2023



সত্যনিষ্ঠ সাংবাদিকতাত উৎসর্গিত
গুৱাহাটী, যোৰহাট আৰু লখিমপুৰৰ পৰা প্ৰকাশিত
আমাৰ অসম
Amar Axom

যোৰহাটত 'কিষাণ ড্রোন'ৰ সহায়ত জৈৱিক সাৰ, কীটনাশক দ্রব্য প্রয়োগ

'আমাৰ অসম'ৰ যোৰহাটৰ ষ্টাফ ৰিপৰ্টাৰ, ৪ আগষ্ট ঃ যোৰহাট জিলা কৃষি বিভাগ আৰু যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ যুটীয়া উদ্যোগত ৩ আগষ্টত নকছাৰী কৃষি উন্নয়ন চক্ৰৰ বালিজনীয়া গাঁৱৰ কৃষিভূমিত প্রদর্শনীমূলকভাৱে 'কিষাণ ড্রোন'ৰ সহায়ত জৈৱিক সাৰ আৰু কীটনাশক দ্রব্য প্রয়োগ কৰা হয়। এই কার্যসূচী উদ্বোধন কৰি নৱনিযুক্ত যোৰহাট জিলা কৃষি বিষয়া তনয় জ্যোতি গগৈয়ে কয় যে 'কিষাণ ড্রোন'ৰ সহায়ত জৈৱিক সাৰ আৰু কীটনাশক দ্রব্য প্রয়োগে অসমৰ কৃষি খণ্ডলৈ আমূল পৰিবর্তন কঢ়িয়াই আনিব। কৃষি খণ্ডত যথোপযুক্ত যন্ত্রৰ প্রয়োগে কৃষকৰ উৎপাদন বৃদ্ধি কৰাৰ লগতে অসমৰ কৃষি অর্থনীতি সবল কৰি তুলিব। কার্যসূচীত টীয়ক কলিয়াপানীস্থিত যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড° সঞ্জয় বৰঠাকুৰ, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ৰূপম কাকতি, নকছাৰী কৃষি উন্নয়ন চক্ৰৰ কৃষি উন্নয়ন বিষয়া প্রিয়াংকু মজুমদাৰ আৰু অঞ্চলটোৰ ভালেমান প্রগতিশীল কৃষক উপস্থিত থাকে।

Organic fertiliser and pesticide application with Kisan Drone in Jorhat district

KVK Jorhat, Assam

Date: : 06.08.2023

The Assam Tribune

Campaign launched in Jorhat to demonstrate use of Kisan Drone



STAFF CORRESPONDENT

JORHAT, Aug 6: The Krishi Vigyan Kendra (KVK) Jorhat, located at Kaliapani in Teok, which is under the Assam Agricultural University (AAU) with support from the agriculture department, has undertaken an initiative to create awareness among farmers on foliar application of biofertilizer and pesticides by using drone in farming activities.

Under the campaign, demonstrations of flying the gadget over the paddy field have been organised across the district.

Dr Sanjoy Borthakur, senior scientist and head of KVK, Jorhat, told this newspaper that AAU has procured a Kisan Drone with the Indian Council of Agricultural Research (ICAR) funding for the project titled 'Demonstration of Kisan Drone under the project Sub Mission on Agricultural Mechanisation for Implementation under Drone Technology Demonstration' of the Department of Agriculture and Farmers' Welfare, Government of India.

Borthakur said that the KVK has received a 25-kg drone having six propeller blades with sprayers and dusters having a capacity to fly for 20 minutes from a single charge of the battery and could cover about a plot of two bighas in a cultivation area.

He stated that two employees (a subject matter assistant) of the KVK had undergone a five-day training programme in Guwahati to fly the drone, and they have acquired pilot license to operate the gadget.

The KVK head said that use of drone in spraying liquid fertilizers and pesticides, and also using it in broadcast of seeds of certain crops (that do not require to be planted in a row) could revolutionise the process of cultivation and benefit the farmers a lot.

Borthakur said that there would be reduction of time by covering a huge area, minimizing the amount of fertilizers and pesticides and lowering the health hazards to farmers due to exposure to chemicals when done manually.

He said that in the past 10 days, two demonstrations of the drone flying over paddy fields have been carried out with support of the agriculture department in the district with one at Tingorgaon in the Kakojan area and Balijonia village in the Nakachari area of the district, with the second demonstration carried out on August 3.


Stating that farmers visiting the KVK have been told about the use of the drone and shown how it is done, Borthakur added that demonstrations of the drone flying will continue across the district in coming days.

Borthakur said that there has been active support from the agriculture department to the campaign. The newly-appointed district agriculture officer (DAO), Tanay Jyoti Gogoi, accompanied by senior agriculture development officer Rupam Kakati, Nakachari agriculture development officer Priyanku Majumdar, and a number of progressive farmers and villagers were present during the demonstrations. Borthakur said that a lot of curiosity about the drone was seen amongst the onlookers.

DAO Tanay Jyoti Gogoi told this newspaper that use of the drone in cultivation is expected to bring about a huge transformation in the agriculture sector. He said that demonstrations of the drone will be carried out to popularise the concept so that interested farmers could avail the opportunity if the government comes out with any scheme for use of drone by farmers. Gogoi also said that efforts by the department are on to ensure that farmers avail of all the government schemes.

Date: 11.08.2023

KVK Jorhat, Assam



সত্যনিষ্ঠ সাংবাদিকতাত উৎসৰ্গিত
গুৱাহাটী, যোৰহাট আৰু তিনিচুকীয়া পৰা প্ৰকাশিত
আমাৰ অসম
Amar Axom

কৃষিভূমিত ড্ৰ'নৰ জৰিয়তে কীটনাশক আৰু সাৰ প্ৰয়োগ

খনামুখ ঃ নিজা প্ৰতিবেদক, ১১ আগষ্ট ঃ কলিয়াপানীস্থিত অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনৰ কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটে কৃষি যান্ত্ৰিকীকৰণৰ দিশত এখোজ আগুবাই যোৰহাট আৰু মাজুলী জিলাৰ ২৫০ হেক্টৰ কৃষি ভূমিত ড্ৰ'নৰ জৰিয়তে সাৰ আৰু অন্যান্য কৃষিৰ লগত জড়িত সামগ্ৰী ছটিওৱা আৰু বীজ সিঁচা প্ৰযুক্তিৰ প্ৰদৰ্শন কাৰ্যসূচী আৰম্ভ কৰিছে। অলপতে লাহিঙৰ বালিজনীয়া অঞ্চলত জিলা কৃষি বিভাগৰ সহযোগ আৰু সক্ৰিয় অংশগ্ৰহণত ধান খেতিত ড্ৰ'নৰ জৰিয়তে সাৰ প্ৰয়োগৰ পদ্ধতি প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ জ্যেষ্ঠ বিজ্ঞানী তথা মুৰব্বী ড° সঞ্জয় বৰঠাকুৰ, নব নিযুক্ত জিলা কৃষি বিষয়া তনয় জ্যোতি গগৈ, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ৰূপম কাকতী, কৃষি উন্নয়ন বিষয়া প্ৰিয়াংকু মজুমদাৰ, কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়বস্তু বিশেষজ্ঞা তৃষ্ণালী শইকীয়া, শৰ্মিষ্ঠা বৰগোহাঁই, কাৰ্যসূচী সহযোগী ৰূপজ্যোতি চুতীয়া, প্ৰকল্প সহযোগী প্লাবন দেৱৰাজ, গবেষণা প্ৰকৰ্মী পলাশ শইকীয়া, জিতেন দাস আৰু অঞ্চলটোৰ কৃষি সম্প্ৰসাৰণ সহায়কসকল উপস্থিত থাকে। সভাত ড° সঞ্জয় বৰঠাকুৰ প্ৰমুখ্যে অন্যান্য বিশিষ্ট ব্যক্তিসকলে ধানখেতিৰ প্ৰতিপালন তথা সাৰ প্ৰয়োগৰ বিষয়ে উপস্থিত সকলোকে আভাস দিয়ে। শতাধিক কৃষকে অংশগ্ৰহণ কৰা অনুষ্ঠানত কৃষি বিজ্ঞান কেন্দ্ৰৰ ৰূপজ্যোতি চুতীয়াই ড্ৰ'ন প্ৰযুক্তিৰ লাভালাভসমূহৰ বিষয়ে বৰ্ণনা কৰাৰ লগতে পথাৰত ড্ৰ'নৰ জৰিয়তে সাৰ ছটিওৱা পদ্ধতি প্ৰদৰ্শন কৰে বুলি কৃষি বিজ্ঞান কেন্দ্ৰৰ ৰূপজ্যোতি চুতীয়াই সংবাদ মাধ্যমক জানিবলৈ দিয়ে।


Pesticide and fertiliser application on agricultural land with Drone

KVK Jorhat, Assam

Date: 21.08.2023

সত্যনিষ্ঠ সাংবাদিকতাত উৎসর্গিত
গুৱাহাটী, যোৱহাট আৰু লখিমপুৰ পৰা প্ৰকাশিত
আমাৰ অসম
Amar Axom

দৈনিক অসম, ডিব্রুগড়, মঙ্গলবাৰ, ২২ আগষ্ট, ২০২৩



নকছাৰীৰ ৰৰগাঁৱত কৃষি ড্রোনৰ প্রযুক্তি প্রদর্শন

নিজা বাতৰি দিওঁতা

টীয়ক, ২১ আগষ্ট ঃ নকছাৰীৰ ৰৰগাঁৱৰ পথাৰত যোৱা ১৯ আগষ্টত বহু সংখ্যক খেতিয়কৰ উপস্থিতিত কৃষি ড্রোনৰ প্রযুক্তি প্রদর্শন কৰা হয়। কৃষি বিজ্ঞান কেন্দ্র, যোৱহাটৰ দ্বাৰা কৃষি যান্ত্রিকীকৰণ উপ-প্রকল্পৰ অধীনত যোৱহাট আৰু মাজুলী জিলাৰ কৃষি ভূমিত ড্রোনৰ জৰিয়তে সাৰ আৰু অন্যান্য কৃষিৰ লগত জড়িত সামগ্রী ছটিওৱা আৰু বীজ সিঁচা প্রযুক্তিৰ প্রদর্শন কার্যসূচীৰ অন্তর্গত কৃষকসকলক এই পদ্ধতি প্রদর্শন কৰা হয়। এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আয়োজন কৰা সভাত মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে কৃষি বিজ্ঞান কেন্দ্র, যোৱহাটৰ এই পদক্ষেপৰ শলাগ লয়। তদুপৰি, কৃষিক্ষেত্রত চৰকাৰে লোৱা আঁচনিসমূহৰ বিষয়ে সভাত অৱগত কৰে। এই অনুষ্ঠানত কৃষি বিজ্ঞান কেন্দ্র, যোৱহাটৰ জ্যেষ্ঠ বিজ্ঞানী আৰু মুৰব্বী ডঃ সঞ্জয় ৰৰঠাকুৰ, কৃষি বিজ্ঞান কেন্দ্রৰ বিষয়বস্তু বিশেষজ্ঞ তৃষ্ণালী শইকীয়া, সমীৰণ ভট্টাচার্য, শর্মিষ্ঠা ৰৰগোহাঁই, ডঃ প্রভাত ৰব্ৰা, কার্যসূচী সহযোগী ৰূপজ্যোতি চুতীয়া, জীৱন জ্যোতি ৰেইন, বিমান জ্যোতি ফুকন, গৱেষণা কর্মী পলাশ শইকীয়া, জিতেন দাসৰ উপৰি বহু সংখ্যক কৃষক, নৱজাগৰণ মহিলা উৎপাদক . কোম্পানীৰ সদস্য আৰু অঞ্চলটোৰ কৃষি সখীসকল উপস্থিত থাকে।

Agri Drone technology demonstration at Borgaon, Nakachari

Date: 22.08.2023

KVK Jorhat, Assam



সত্যনিষ্ঠ সাংবাদিকতাত উৎসর্গিত
গুৱাহাটী, যোৰহাট আৰু লখিমপুৰৰ পৰা প্ৰকাশিত
আমাৰ অসম
Amar Axom

পাৰ্থেনিয়ামৰ সজাগতা সভা


যোৰহাট ঃ ২২ আগষ্ট ঃ কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ উদ্যোগতআৰু সৰ্বভাৰতীয় অপতৃণ ব্যৱস্থাপনা প্ৰকল্প, শস্য বিজ্ঞান বিভাগ, অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত ১৬ আগষ্টৰপৰা ২২ আগষ্টলৈ অনুষ্ঠিত হৈ থকা 'পাৰ্থেনিয়াম সজাগতা সপ্তাহ'ৰ লগত সংগতি ৰাখি এখন সজাগতা সভা লিকচন, নকছাবিৰ বশ্মিৰেখা পুথিভঁৰাল আৰু যুব মঞ্চত আজি অনুষ্ঠিত হয়। শতাধিক কৃষক উপস্থিত থকা সভাত 'পাৰ্থেনিয়াম' নামৰ মানৱ তথা পশুকুলৰ প্ৰাণৰ প্ৰতি ভাবুকি অনা অপতৃণবিধৰ ভয়াৱতা আৰু নিয়ন্ত্ৰণ ব্যৱস্থাপনাৰ বিষয়ে সৰ্বভাৰতীয় অপতৃণ ব্যৱস্থাপনা প্ৰকল্পৰ প্ৰধান বিজ্ঞানী ড° খগেন কুৰ্মিয়ে বিশদভাৱে আলোচনা কৰে। কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ মুৰব্বী ড° সঞ্জয় ৰৱঠাকুৰে 'কৃষিক্ষেত্ৰত পাৰ্থেনিয়ামজনিত অসুবিধা সমূহৰ বিষয়ে ব্যাখ্যা কৰে। সভাখনত কৃষি বিজ্ঞান কেন্দ্ৰৰ শস্য বিজ্ঞান বিভাগৰ বিষয়বস্তু বিশেষজ্ঞ সমীৰণ ভট্টাচাৰ্য, কাৰ্যসূচী সহযোগী ৰূপজ্যোতি চুতীয়া, প্ৰজ্বলিতা দত্ত, জিতেন দাস, পলাশ শইকীয়া উপস্থিত থাকে। উল্লেখযোগ্য যে যোৱা ১৯ আগষ্টত নকছাৰি ৰৱ গাঁৱতো মাৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মিৰ উপস্থিতিত কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটে কৃষক ৰাইজৰ মাজত পাৰ্থেনিয়াম সজাগতা সভা অনুষ্ঠিত হয়। সভাৰ অন্তত স্থানীয় কৃষক ৰাইজৰ ধাননি পথাৰত 'ড্ৰনৰ জৰিয়তে সাৰ ছটিওৱা' পদ্ধতি প্ৰদৰ্শন কৰা হয়।

Awareness Prgramme on Parthenium

Date: 22.08.2023

KVK Nagaon, Assam

দৈনিক অসম
Doinik Axom



‘পার্থেনিয়াম’ৰ বিৰুদ্ধে সজাগতা সভা


নিজা বাতৰি দিওঁতা

টীয়ক, ২২ আগষ্ট ঃ কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ উদ্যোগত আৰু সৰ্বভাৰতীয় অপতৃণ ব্যৱস্থাপনা প্ৰকল্প, শস্য বিজ্ঞান বিভাগ, অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত অনুষ্ঠিত হৈ থকা ‘পার্থেনিয়াম সজাগতা সপ্তাহ’ৰ সৈতে সংগতি ৰাখি আজি নকছাৰিৰ হাজৰিকা গাঁৱৰ ৰশ্মিৰেখা পুথিভঁৰাল আৰু যুৱ সংঘ প্ৰেক্ষাগৃহত এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। বহুসংখ্যক কৃষক উপস্থিত থকা এই সভাখনত ‘পার্থেনিয়াম’ নামৰ মানৱ তথা পশুকুলৰ প্ৰাণৰ প্ৰতি ভাবুকি অনা অপতৃণ বিধৰ ভয়াৱহতা আৰু নিয়ন্ত্ৰণ ব্যৱস্থাপনাৰ বিষয়ে সৰ্বভাৰতীয় অপতৃণ ব্যৱস্থাপনা প্ৰকল্পৰ প্ৰধান বিজ্ঞানী ডঃ খগেন কুৰ্মীয়ে বিশদভাৱে ব্যাখ্যা কৰে। যোৰহাটৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ডঃ সঞ্জয় বৰঠাকুৰে ‘কৃষিক্ষেত্ৰত পার্থেনিয়ামজনিত অসুবিধা’সমূহৰ বিষয়েও ব্যাখ্যা কৰে। এই সভাত কৃষি বিজ্ঞান কেন্দ্ৰৰ শস্য বিজ্ঞান বিভাগৰ বিষয়বস্তু বিশেষজ্ঞ সমীৰণ ভট্টাচার্য, কার্যসূচী সহযোগী ৰূপজ্যোতি চুতীয়া, প্ৰজ্বলীতা দত্ত, জিতেন দাস, পলাশ শইকীয়া উপস্থিত থাকে।

Awareness programme against Parthenium

KVK Jorhat, Assam

Date: 22.08.2023



সত্যনিষ্ঠ সাংবাদিকতাত উৎসর্গিত
গুৱাহাটী, যোৰহাট আৰু লখিমপুৰৰ পৰা প্ৰকাশিত
আমাৰ অসম
Amar Axom

যোৰহাটত পাৰ্থেনিয়ামৰ সজাগতা সভা

'আমাৰ অসম'ৰ টীয়কৰ প্ৰতিবেদক, ২৩ আগষ্ট ঃ কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ উদ্যোগত আৰু সৰ্বভাৰতীয় অপতৃণ ব্যৱস্থাপনা প্ৰকল্প, শস্য বিজ্ঞান বিভাগ, অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত যোৰহাটত ১৬ আগষ্টৰ পৰা ২২ আগষ্টলৈ অনুষ্ঠিত হৈ থকা 'পাৰ্থেনিয়াম সজাগতা সপ্তাহ'ৰ লগত সংগতি ৰাখি এখন সজাগতা সভা লিকচন, নকছাৰিৰ ৰশ্মিৰেখা পুখিভঁৰাল ও যুৱমঞ্চত কালি অনুষ্ঠিত হয়। শতাধিক কৃষক উপস্থিত থকা সভাখনত 'পাৰ্থেনিয়াম' নামৰ মানৱ তথা পশু কুলৰ প্ৰাণৰ প্ৰতি ভাবুকি অনা অপতৃণবিধৰ ভয়াৱহতা আৰু নিয়ন্ত্ৰণ ব্যৱস্থাপনাৰ বিষয়ে সৰ্বভাৰতীয় অপতৃণ ব্যৱস্থাপনা প্ৰকল্পৰ প্ৰধান বিজ্ঞানী ড° খগেন কুমৰীয়ে বিশদভাৱে আলোচনা কৰে। কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ মুৰব্বী ড° সঞ্জয় ৰৱঠাকুৰে কৃষিক্ষেত্ৰত পাৰ্থেনিয়ামজনিত অসুবিধা সমূহৰ বিষয়ে ব্যাখ্যা কৰে। সভাখনত কৃষি বিজ্ঞান কেন্দ্ৰৰ শস্য বিজ্ঞান বিভাগৰ

Awareness programme on Parthenium at Jorhat

Date: 09.09.2023

KVK Jorhat, Assam



সভানিষ্ঠ সাংবাদিকতাত উৎসর্গিত
আমাৰ অসম
Amar Axom


চৰহা আক্রান্ত পথাৰত উৰিছে কৃষি বিজ্ঞান কেন্দ্রৰ ড্রন

যোৰহাট ঃ ৯ ছেপ্টেম্বৰ ঃ যোৰহাটৰ টীয়ক কৃষি চক্রৰ অধীনৰ বহু অঞ্চলৰ কৃষকৰ শালিধানৰ পথাৰত চৰহা পোকৰ উপদ্রব দেখা গৈছে। কালি টীয়ক বামুণ গাঁও আৰু সোণাৰি গাঁৱত কৃষি বিজ্ঞান কেন্দ্র, যোৰহাট আৰু জিলা কৃষি বিভাগে এই সন্দর্ভত এখন সজাগতামূলক পথ সভা অনুষ্ঠিত কৰে। সভাত কৃষকসকলক চৰহা পোকৰ আক্রমণ সন্দর্ভত বিশদভাৱে আলোচনা আগবঢ়ায় কেন্দ্রটোৰ জ্যেষ্ঠ বিজ্ঞানী আৰু মুৰব্বী ডঃ সঞ্জয় বৰঠাকুৰে। শস্য বিজ্ঞান বিভাগৰ বিষয়বস্তু বিশেষজ্ঞ সমীৰণ ভট্টাচার্যই চৰহা পোকৰ ক্ষয়-ক্ষতি, নিৰাময়ৰ উপায় তথা ড্রনৰ জৰিয়তে কীটনাশক, সাৰ আদিৰ স্প্রে' আৰু ইয়াৰ উপযোগিতাৰ বিষয়ে ৰাইজক অৱগত কৰে। কেন্দ্রটোৰ কার্যসূচী সহযোগী ৰূপজ্যোতি চুতীয়াই আঁত ধৰা অনুষ্ঠানটোত ড্রনৰ সহায়ত চৰহা পোকৰ আক্রমণ নিয়ন্ত্রণৰ বাবে জিলা কৃষি বিভাগৰ সহযোগত প্রায় ২ হেক্টৰ মাটিত কীটনাশক স্প্রে' কৰা হয়। উক্ত অনুষ্ঠানত কৃষি বিজ্ঞান কেন্দ্রৰ বিষয় বস্তু বিশেষজ্ঞ শর্মিষ্ঠা বৰগোহাঁই (উদ্যান শস্য বিভাগ), প্রজ্বলিতা দত্ত, প্লাৱন দেৱৰাজ, পলাশ শইকীয়াৰ লগতে টীয়কৰ কৃষি উন্নয়ন বিষয়া অনুস্মিতা নেওগ, চেলেংহাট কৃষি উন্নয়ন বিষয়া পৃথ্বিৰাজ পেগু, সহকাৰী কৃষি পৰিদর্শকদ্বয় নগেন কলিতা আৰু অনিল মিলি, মিডিয়া বিশেষজ্ঞ আভা ভৰালীৰ লগতে অঞ্চলটোৰ অধ শতাধিক কৃষক ৰাইজ উপস্থিত থাকে। কৃষি বিজ্ঞান কেন্দ্র, যোৰহাট আৰু কৃষি বিভাগ, যোৰহাটৰ এই যৌথ প্রচেষ্টাক কৃষক ৰাইজে প্রশংসা কৰে।

Drone application for spraying of pesticide in Gundhi bug affected area of of Krishi Vigyan Kendra Jorhat

KVK Jorhat, Assam

Date: 15.10.2023



সতানিষ্ঠ সাংবাদিকতাত উৎসর্গিত
গুৱাহাটী, যোৰহাট আৰু লখিমপুৰ পৰা প্ৰকাশিত
আমাৰ অসম
Amar Axom

যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰত বৰশী বোৱা প্ৰতিযোগিতা

'আমাৰ অসম'ৰ টীয়কৰ প্ৰতিবেদক ১৫ অক্টোবৰ ঃ কৃষি পৰ্যটনক জনপ্ৰিয় কৰাৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ কলিয়াপানীস্থিত কৃষি বিজ্ঞান কেন্দ্ৰ যোৰহাটে কালি কেন্দ্ৰটোৰ কৃষক কানন-কৃষি পৰ্যটন ক্ষেত্ৰত এক বৰশী বোৱা প্ৰতিযোগিতা সম্পন্ন কৰে। ২৬জন প্ৰতিযোগীয়ে ৪৭টা বৰশীৰে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখন উদ্বোধন কৰে কেন্দ্ৰটোৰ জ্যেষ্ঠ বিজ্ঞানী তথা মুৰব্বী ড° সঞ্জয় বৰঠাকুৰে। প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰে লাহদৈগড় মইনাপৰিয়াৰ যুগল বৰাই। দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ পায় ক্ৰমে দয়াল বৰা আৰু পাৰ্থপ্ৰতীম বৰাই। বটা বিতৰণী সভাত জিলা মীন উন্নয়ন বিষয়া কুলধৰ ডেকা, মীন উন্নয়ন বিষয়া শংকৰ বৰুৱা, বিশিষ্ট ব্যৱসায়ী ৰঞ্জন বৰুৱা, বিজয় খণ্ডীয়া আদি উপস্থিত থকাৰ লগতে শতাধিক দৰ্শক, কেন্দ্ৰটোৰ সমূহ বিজ্ঞানী আৰু কৰ্মচাৰী উপস্থিত থাকে। উল্লেখ্য, যুৱ প্ৰজন্মৰ কৃষি পৰ্যটনৰ প্ৰতি আকৰ্ষিত কৰাৰ বাবে কেন্দ্ৰটোৱে লোৱা এই পদক্ষেপ উপস্থিত সকলোৱে শলাগ লয়।

Fishing competition in Krishi Vigyan Kendra Jorhat

Date: 29.10.2023

KVK Jorhat, Assam



সত্যনিষ্ঠ সাংবাদিকতাত উৎসর্গিত
গুৱাহাটী, যোৰহাট আৰু লখিমপুৰ পৰা প্ৰকাশিত
আমাৰ অসম
Amar Axom

যোৰহাটত অসম ভিত্তিত বৰশী বোৱা প্ৰতিযোগিতা

যোৰহাট : ষ্টাফ ৰিপৰ্টাৰ, ২৯ অক্টোবৰ : যোৰহাটৰ বৰআলি মীন পালন গোটৰ উদ্যোগত এখন বৰশী বোৱা প্ৰতিযোগিতা অহা ১২ নৱেম্বৰত সদৌ অসম ভিত্তিত আয়োজন কৰা হৈছে। আজি যোৰহাটৰ গ্ৰীন ভিউ বিজৰ্টত অনুষ্ঠিত এখন সংবাদমেলত এই কথা সদৰী কৰিছে আয়োজকসকলে। প্ৰতিযোগিতাখনৰ মূল উদ্দেশ্য হৈছে যিসমূহ নিবনুৱা যুৱক-যুৱতী আছে, সেইসকলে মীন পালনক ব্যৱসায় হিচাপে গ্ৰহণ কৰি স্বাৱলম্বী হোৱাৰ লগতে আনকো স্বাৱলম্বী কৰিব পাৰে। প্ৰতিযোগিতাখন পুৱা ৮-৩০ বজাৰপৰা বিয়লি ২-৩০ বজালৈকে হ'ব। এজন প্ৰতিযোগীয়ে এটা বৰশীহে ব্যৱহাৰ কৰিব পাৰিব। তদুপৰি প্ৰতিযোগীৰ লগত সহায়ক থাকিব নোৱাৰিব। প্ৰতিযোগীয়ে লগত পানীৰ বটল, খোৱা আহাৰ ৰাখিব লাগিব। কোনোধৰণৰ নিচাযুক্ত দ্ৰব্য সেৱন কৰি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব নোৱাৰিব। এজন প্ৰতিযোগীক এটা পুৰস্কাৰহে প্ৰদান কৰা হ'ব। যিজন প্ৰতিযোগীয়ে সৰ্ববৃহৎ ওজনৰ মাছ বৰশীত তুলিব পাৰিব, তেওঁক প্ৰথম পুৰস্কাৰ প্ৰদান কৰা হ'ব। বাকী পুৰস্কাৰসমূহ সেইদৰে ওজনৰ ভিত্তিত ক্ৰমান্বয়ে প্ৰদান কৰা হ'ব বুলি সংবাদমেলত উল্লেখ কৰে আয়োজকসকলে। তদুপৰি প্ৰতিযোগীক যিসমূহ টিকট দিয়া হ'ব, সেই টিকটসমূহ নিজৰ পোছাকত লগাই ৰাখিব লাগিব আৰু টিকট নথকা ব্যক্তিক প্ৰতিযোগী হিচাপে ধৰা নহ'ব। প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ২ লাখ, দ্বিতীয় পুৰস্কাৰ ১ লাখ, তৃতীয় পুৰস্কাৰ ৫০ হাজাৰ, চতুৰ্থ পুৰস্কাৰ ২০ হাজাৰ, পঞ্চম পুৰস্কাৰ দুজনৰ বাবে ১০ হাজাৰ আৰু ষষ্ঠ পুৰস্কাৰ দহজনৰ বাবে ৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। যোগদান মাছুল ৩ হাজাৰ টকা। যোগাযোগ : ৯১০১০৮৭৬০০।

Assam based Fishing competition in Jorhat

KVK Jorhat, Assam

Date: 09.12.2023



সতানিষ্ঠ সাংবাদিকতাত উৎসর্গিত
গুৱাহাটী, যোৰহাট আৰু লখিমপুৰ পৰা প্ৰকাশিত
আমাৰ অসম
Amar Axom

যোৰহাটত কৃষক, বিজ্ঞানীৰ মত-বিনিময়

আমাৰ অসম'ৰ নিজস্ব প্ৰতিবেদক, ৬ ডিচেম্বৰ : অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ উদ্যোগত কালি কৃষি বিজ্ঞান কেন্দ্ৰৰ সভা গৃহত এখনি কৃষক বিজ্ঞানীৰ মত-বিনিময় অনুষ্ঠান আয়োজন কৰা হয়। সমগ্ৰ যোৰহাট জিলাৰ বিভিন্ন অঞ্চলৰ পৰা অহা প্ৰায় ৪০জন আদৰ্শ কৃষক, ব্যৱসায়ী, আত্মসহায়ক গোটৰ সদস্যা, কৃষক উৎপাদক গোটৰ সদস্য ইত্যাদি উপস্থিত থাকি কৃষি বিজ্ঞানীসকলৰ লগত কৃষিৰ লগত জড়িত বিভিন্ন বিষয়ত আলোচনা কৰে। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ সঞ্চালক অৰুণ মৰাণ প্ৰমুখে উপস্থিত থকা কৰ্মকৰ্তাসকলে সমগ্ৰ মত-বিনিময় অনুষ্ঠানটো পৰিচালনা কৰাৰ লগতে কৃষকসকলৰ লগত সুকীয়াকৈও সাক্ষাৎকাৰ গ্ৰহণ কৰে আৰু বিভিন্ন গীত-মাতেৰে অনুষ্ঠানটো সজাই তোলে। কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড° সঞ্জয় বৰঠাকুৰ প্ৰমুখে অন্যান্য বিশেষজ্ঞসকল ক্ৰমে তৃষ্ণালি শইকীয়া, সমীৰণ ভট্টাচাৰ্য, শৰ্মিষ্ঠা বৰগোহাঞি, প্ৰভাত বৰুৱা, ৰূপজ্যোতি চুতীয়া আৰু জীবনজ্যোতি ছেইকীয়ে কৃষকসকলৰ বিভিন্ন সমস্যাৰ সমাধান আগবঢ়ায়।

Farmer-Scientist interaction in Jorhat

Date: 5.12.2023

KVK Jorhat, Assam

দৈনিক অসম
Doinik Axom

কৃষি বিজ্ঞান কেন্দ্রত কৃষকৰ সৈতে কৃষি বিজ্ঞানীৰ মতবিনিময়

নিজা বাতৰি দিওঁতা

টীয়ক, ৫ ডিচেম্বৰ ঃ অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ উদ্যোগত ১ ডিচেম্বৰত কৃষি বিজ্ঞান কেন্দ্ৰৰ সভাগৃহত কৃষকৰ সৈতে কৃষি বিজ্ঞানীৰ মত বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰা হয়। যোৰহাট জিলাৰ বিভিন্ন অঞ্চলৰ বহু সংখ্যক আদর্শ কৃষক, ব্যৱসায়ী, আত্মসহায়ক গোটৰ সদস্যা, কৃষক উৎপাদক গোটৰ সদস্যৰ সৈতে সেইদিনাৰ অনুষ্ঠানত ভিন ভিন শস্যৰ কৃষি পদ্ধতি আৰু প্ৰতিপালন, পশু পালন, মীন পালন, কৃষি অর্থনীতি আৰু কৃষি ক্ষেত্ৰত তথ্য সংযোগ প্ৰযুক্তিৰ প্ৰভাৱ আদি বিষয়ত বিজ্ঞানীসকলে মত বিনিময় কৰে। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ সঞ্চালক অৰুণ মৰাণ প্ৰমুখ্যে উপস্থিত থকা কর্মকর্তাসকলে পৰিচালনা কৰা গীত-মাতেৰে সজাই তোলে আৰু কৃষকসকলৰ সৈত সুকীয়াকৈও সাক্ষাৎকাৰ গ্ৰহণ কৰে। এই মত বিনিময় অনুষ্ঠানত কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ডঃ সঞ্জয় বৰঠাকুৰৰ লগতে অন্যান্য বিশেষজ্ঞ তৃষ্ণালি শইকীয়া, সমীৰণ ভট্টাচার্য, শর্মিষ্ঠা বৰগোহাঞি, প্ৰভাত বৰুৱা, ৰূপজ্যোতি চুতীয়া, জীৱন জ্যোতি য়েইন আদি উপস্থিত থাকি কৃষকসকলে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ সমাধানৰ বাবে উপায় আগবঢ়ায়।

Agricultural Scientist interat with farmers at Krishi Vigyan Kendra

Date: 07.12.2023

KVK Jorhat, Assam

Chief Executive Member of KAAC, Tuliram Ronghang is fully confident that BJP will win the forthcoming Parliamentary election in the hills of Assam and Narendra Modi will return to power in a large way in 2024. He said this at Langmepi Playground West Karbi Anglong on Tuesday.

GuwahatiChronicle

Governor takes stock of activities of Tribal Affairs (Plain) Department

CHRONICLE NEWS SERVICE



GUWAHATI: Assam Governor Gulab Chand Kataria took stock of the implementation of various central and state-sponsored schemes of the Department of Tribal Affairs (Plain) at a meeting held at Raj Bhavan on Wednesday.

During the session the Principal Secretary of the department, Mukesh Kr Sahu gave a presentation covering the overall working of the department. The Governor said that since Assam is a home to a sizeable number of tribal population, he asked the department to devise strategies for the overall well-being of the tribal population in the state. Recognizing education as a cornerstone for the individual and collective well-being of any community, Shri Kataria urged the department to prioritize academic development. He stressed that by focusing on educational advancement, individuals can be empowered to contribute meaningfully to their communities and society as a whole.

Moreover, the Governor reiterated the importance of an exclusive coaching institute for civil service examination specifically designed for tribal students. He highlighted the need for providing hostel facilities to these students to ensure that the students receive quality education from qualified teachers. The Governor urged the department to closely monitor and regulate these initiatives. Regarding infrastructure development in Integrated Tribal Development Projects (ITDP) in the tribal dominated areas, the Governor stressed on the importance of not only ensuring the quality of infrastructure but also periodically monitoring the living conditions in the areas.

The meeting was attended by minister in charge of the department Dr. Ranoj Pegu and other senior officers of the government.

Date:: 18.12.2023

KVK Jorhat, Assam

The Assam Tribune

Grand harvest and ICMD Field Day programme organised

NIRMALENDU PATHAK

TEOK: A grand harvest and field day programme of Integrated Crop Management Demonstration was organised under APART project by Krishi Vigyan Kendra, Jorhat at Halowapothar, Jorhat on Wednesday. The programme got enlightened by the gracious presence of Dr. Sanjoy Borthakur, Senior Scientist and Head, KVK, Jorhat, Rajesh Baruah, Gaon Pradhan, Dulesh Gogoi, District Agricultural Inspector, Dilwar Singh Parihar, Post Harvest Specialist, IRRI and Prabhat Mohanty, Research Technician, IRRI. The welcome address was given by Rupjyoti Chutia, Programme Assistant, KVK, Jorhat. Senior Scientist and Head, KVK Jorhat explained to the farmers about the agricultural benefits given by the government and the use of agricultural machinery in the farmer's field. He also explained briefly about the APART project and how it is helping the farmers in the remote areas of Assam. The reaper was also demonstrated by the KVK delegates. The host farmer, Pranjal Gogoi, who transplanted Ranjit Sub 1 variety of Sali rice for 1 ha area under Integrated Crop



Management Demonstration, briefly mentioned his experience of the technology and the increase in yield attributing characters. A total number of 150 participants were present in the programme which came to an end with a vote of thanks by Rupjyoti Chutia. All the scientists and members of APART project from KVK, Jorhat were actively present in the programme.

Date: 21.012.2023

KVK Jorhat, Assam

নির্ভীক সাংবাদিকতাৰ প্ৰতীক
দৈনিক জনমভূমি
Doinik Jonombhumi

কৃষি বিজ্ঞান কেন্দ্ৰত সমবায় সমিতিৰ প্ৰশিক্ষণ



যোৰহাট, ২০ জানুৱাৰী ঃ অসমৰ সমবায় সমিতিসমূহক কৃষি সামগ্ৰী ব্যৱসায়ী হিচাপে প্ৰশিক্ষিত কৰি শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ উদ্যোগত পঞ্জীয়ক, সমবায় সমিতি, অসম চৰকাৰ আৰু সম্প্ৰসাৰণ শিক্ষা সঞ্চালকালয়, অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত যোৱা ৫ ৰ পৰা ১৯ ডিচেম্বৰলৈ অনুষ্ঠিত এক ১৫ দিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ যোৱা ১৯ ডিচেম্বৰত সমাপ্তি হয়। যোৰহাট, মাজুলী, শিৱসাগৰ আৰু চৰাইদেউ জিলা সামৰি অনুষ্ঠিত হৈ যোৱা প্ৰশিক্ষণত ২২ খন সমবায় সমিতিৰ বিষয়াই অংশগ্ৰহণ কৰে। কৃষিক্ষেত্ৰৰ বিভিন্ন বিষয়সমূহ পুংখানুপুংখভাবে বিভিন্ন সমল ব্যক্তিয়ে প্ৰশিক্ষাৰ্থী সকলক বুজাই দিয়ে। যোৱা ১৯ ডিচেম্বৰত সম্পন্ন হোৱা সামৰণী অনুষ্ঠানত পাঠ্যক্ৰম সঞ্চালক ড° সমীৰণ ভট্টাচাৰ্যই পাঠ্যক্ৰমত আলোচ্য বিভিন্ন বিষয়সমূহৰ বিষয়ে এক চমু আভাস দিয়ে। সভাখনত উপস্থিত থাকি কেন্দ্ৰটোৰ জ্যেষ্ঠ বিজ্ঞানী আৰু মুৰব্বী ড° সঞ্জয় বৰঠাকুৰে নিষ্ঠা আৰু সততাৰে কৃষি সামগ্ৰীসমূহৰ ব্যৱসায় আৰম্ভ কৰি সফলতাৰ দিশলৈ আগবাঢ়ি যাবলৈ প্ৰশিক্ষাৰ্থীসকলক আহ্বান জনায়। সভাত যোৰহাট জিলাৰ সমবায় সমিতিৰ উপ-পঞ্জীয়ক প্ৰবীণ কুমাৰ দত্ত আৰু তিতাবৰৰ সহ-পঞ্জীয়ক পৰিত্ৰ গগৈ উপস্থিত থাকে। কেন্দ্ৰটোৰ কাৰ্যসূচী সহযোগী ৰূপজ্যোতি চুতীয়াই আঁত ধৰা সামৰণী অনুষ্ঠানত কেন্দ্ৰৰ সমূহ বিজ্ঞানী আৰু কৰ্মচাৰী উপস্থিত থাকে।

Training of Cooperative societies at Krishi Vigyan Kendra p

Date: 21.12.2023

KVK Jorhat, Assam

দৈনিক অসম
Doinik Axom

ড্রোনেৰে সাৰ, কীটনাশক প্ৰয়োগৰ প্ৰদৰ্শন



নিজা বাতৰি দিওঁতা
যোৰহাট, ২১ ডিচেম্বৰ ঃ কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ দ্বাৰা কৃষি যান্ত্ৰিকীকৰণ উপ-প্ৰকল্পৰ অধীনত ১৮ ডিচেম্বৰত মাজুলীৰ মহকিনা আৰু কৰতিপাৰ মাজৰ চাপৰিত কৃষি ড্ৰোনৰ সহায়ত আলু আৰু নহৰু খেতিৰ পথাৰত সাৰ আৰু কীটনাশক প্ৰয়োগৰ পদ্ধতি প্ৰদৰ্শন কৰা হয়। কৃষি বিজ্ঞান কেন্দ্ৰৰ এনে কাৰ্যসূচীৰ শলাগ লয় কৃষকসকলে। সেইদিনাৰ কাযসূচীত কেন্দ্ৰটোৰ পশুপালন বিভাগৰ বিশেষজ্ঞ ডাঃ প্ৰভাত বৰুৱা, কাৰ্যসূচী সহযোগী তথা ড্ৰোন পাইলট ৰূপজ্যোতি চুতীয়া, অসম কৃষি বিশ্ববিদ্যালয়ৰ বিজ্ঞানী ডঃ সুধাংশু ভাগবতী আৰু কৃতিদিপন শৰ্মা উপস্থিত থাকে। উল্লেখযোগ্য যে কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ দ্বাৰা যোৰহাট জিলাৰ প্ৰায় ৮০ হেক্টৰ কৃষি ভূমিত কৃষি ড্ৰোনৰ প্ৰদৰ্শন কৰা

ড্রোনেৰে সাৰ, কীটনাশক প্ৰয়োগৰ প্ৰদৰ্শন



Drone for fertiliser and pesticide application

Date: 21.12.2023

KVK Jorhat, Assam



নির্ভীক সাংবাদিকতাৰ প্ৰতীক

দৈনিক জনমভূমি

Doinik Jonombhumi

যোৰহাটত শস্য চপোৱা আৰু পথাৰ দিৱস উদ্‌যাপন

যোৰহাট ঃ ২৩ ডিচেম্বৰ ঃ কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ অন্তৰ্গত অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্পৰ অধীনত যোৱা বুধবাৰে অনুষ্ঠানিক শস্য চপোৱা আৰু পথাৰ দিৱস উদ্‌যাপন কৰে। কৃষি বিজ্ঞান কেন্দ্ৰৰ কাৰ্যসূচী সহযোগী ৰূপজ্যোতি চুতীয়াই আঁত ধৰা অনুষ্ঠানত কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী আৰু মুৰব্বী ড° সঞ্জয় বৰঠাকুৰে বক্তব্য আগবঢ়ায়। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত অসম কৃষি বিশ্ববিদ্যালয়ৰ পোষ্ট হাৰভেষ্ট বিশেষজ্ঞ দিলৱৰ সিং পৰিহাৰে কৃষিত ব্যৱহৃত যন্ত্ৰ পাতিৰ বিষয়ে বক্তব্য আগবঢ়ায়। কৃষি বিজ্ঞান কেন্দ্ৰৰ শস্য বিজ্ঞান বিভাগৰ বিষয়বস্তু বিশেষজ্ঞ ড° সমীৰণ ভট্টাচাৰ্যই ধান বোৱাৰ নতুন পদ্ধতিৰ বিষয়ে বিশদভাৱে অৱগত কৰে। ইয়াৰ পিছত সমৱেত বাইজক কেন্দ্ৰটোৰ কৃষি পামত কম্বাইন হাৰভেষ্টাৰে ধান চপোৱাৰ পদ্ধতি প্ৰদৰ্শন কৰা হয়। উল্লেখযোগ্য যে এই অনুষ্ঠানতে কৃষি বিজ্ঞান কেন্দ্ৰৰ দ্বাৰা আয়োজিত কৃষি ব্যৱসায়ীৰ ১৫ দিনীয়া প্ৰশিক্ষণ কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। প্ৰশিক্ষণৰ পাঠ্যক্ৰম সঞ্চালক তথা পশুপালন বিভাগৰ বিষয়বস্তু বিশেষজ্ঞ ড° প্ৰভাত বৰুৱাই প্ৰশিক্ষণ কৰ্মশালাটোৰ পাঠ্যক্ৰমৰ বিষয়ে চমুকৈ প্ৰশিক্ষাৰ্থীসকলক অৱগত কৰে।

Harvesting and field day in Jorhat

Date: 21.12.2023

KVK Jorhat, Assam

দৈনিক অসম
Doinik Axom

কৃষি বিজ্ঞান কেন্দ্রত শস্য চপোৱা আৰু পথাৰ দিৱস উদ্‌যাপন




নিজা বাতৰি দিওঁতা

টীয়ক, ২২ ডিচেম্বৰ ঃ কৃষি বিজ্ঞান কেন্দ্ৰ, যোৰহাটৰ অন্তৰ্গত অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্পৰ অধীনত ২০ ডিচেম্বৰত আনুষ্ঠানিকভাৱে শস্য চপোৱা আৰু পথাৰ দিৱস পালন কৰা হয়। কৃষি বিজ্ঞান কেন্দ্ৰৰ কাৰ্যসূচী সহযোগী ৰূপজ্যোতি চুতীয়াই আঁত ধৰা সেইদিনাৰ দিৱসত সমল ব্যক্তিৰূপে উপস্থিত থকা অসম কৃষি বিশ্ববিদ্যালয়ৰ পোষ্ট হাৰভেষ্ট বিশেষজ্ঞ দিলৰুৰ সিং পৰিহাৰে কৃষিকাৰ্যত ব্যৱহৃত যন্ত্ৰ-পাতিৰ বিষয়ে ব্যাখ্যা কৰে। কৃষি বিজ্ঞান কেন্দ্ৰৰ শস্য বিজ্ঞান বিভাগৰ বিষয়বস্তু বিশেষজ্ঞ ডঃ সমীৰণ ভট্টাচাৰ্যই ধান বোৱাৰ নতুন পদ্ধতি যেনে দলিচা পদ্ধতি, মেচিনে বোৱা পদ্ধতি, চপোৱা পদ্ধতি আদিৰ বিষয়ে অৱগত কৰে। পাছত সমবেত বাইজক কেন্দ্ৰটোৰ কৃষি পামত কম্বাইন হাৰভেষ্টাৰে ধান চপোৱাৰ পদ্ধতি প্ৰদৰ্শন কৰা হয়। উল্লেখযোগ্য যে এই অনুষ্ঠানতে কৃষি বিজ্ঞান কেন্দ্ৰৰদ্বাৰা আয়োজিত কৃষি ব্যৱসায়ীৰ ১৫ দিনীয়া প্ৰশিক্ষণ কৰ্মশালাৰ শুভাৰম্ভণি কৰা হয়। এই প্ৰসংগত প্ৰশিক্ষণ পাঠ্যক্ৰম সঞ্চালক তথা পশুপালন বিভাগৰ বিষয়বস্তু বিশেষজ্ঞ ডঃ প্ৰভাত বৰুৱাই প্ৰশিক্ষণ কৰ্মশালাটোৰ পাঠ্যক্ৰমৰ বিষয়ে প্ৰশিক্ষাৰ্থীসকলক অৱগত কৰে। বহুসংখ্যক কৃষক উপস্থিত থকা এই অনুষ্ঠানত কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী আৰু মুৰব্বী ডঃ সঞ্জয় বৰঠাকুৰে উপস্থিত বাইজক উদ্দেশ্যি তেওঁ বহুমূলীয়া বক্তব্য আগবঢ়ায়।

Harvesting and field day organized by Krishi Vigyan Kendra

Date: 12.07.2023

KVK Nalbari, Assam



দুর্নীতিৰ দর্পণ

গুৱাহাটী আৰু ধুবুৰীৰ পৰা প্ৰকাশিত অসমীয়া দৈনিক

Doornitir Dorpan

কৃষি বিজ্ঞান কেন্দ্ৰ , নলবাৰীত আয়োজন ৰাষ্ট্ৰীয় মীন পালক দিৱস

প্ৰণৱজ্যোতি কলিতা , নলবাৰী ঃ অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কৃষি বিজ্ঞান কেন্দ্ৰ , নলবাৰীত কালি ৰাষ্ট্ৰীয় মীন পালক দিৱসৰ আয়োজন কৰা হয়। এই উপলক্ষে কৃষক , বিজ্ঞানী পাৰস্পৰিক ক্ৰিয়া-কলাপ আৰু মীন পোনা বিতৰণৰ কাৰ্যসূচী হাতত লোৱা হয়। এই সভা অনুষ্ঠিত কৰা হয় কৃষি বিজ্ঞান কেন্দ্ৰৰ প্ৰশিক্ষণ সভা কক্ষত। বিষয় বস্তু বিশেষজ্ঞ তথা সমন্বয়ক অংকুৰ ৰাজবংশীয়ে সকলো কৃষক আৰু প্ৰতিনিধিক আদৰণি জনাই কাৰ্যসূচীৰ বিষয়ে অৱগত কৰে। এই সভাত ৰাজবংশীয়ে তেওঁৰ উদ্বোধনী ভাষণেৰে ১৯৫৭ চনৰ ১০ জুলাই দিনটোতে প্ৰয়াত ডঃ হীৰালাল চৌধুৰী আৰু তেওঁৰ দলটোৰে মাছ প্ৰজননৰ প্ৰট'কলত বৈপ্লৱিক পৰিৱৰ্তন আনিবলৈ পপ্ৰৰোচিত প্ৰজনন প্ৰযুক্তি উদ্ভাৱনৰ বাবে আগবঢ়োৱা অৱদানৰ কথা উল্লেখ কৰে আৰু তেখেত সকলক সৌজন্যৰে স্বীকৃতি দি এই সময়ছোৱাত দেশত নীল বিপ্লৱৰ গুৰুত্বৰ চিত্ৰণ কৰে। তেওঁ কৃষক সকলক মীন পালনৰ বৈজ্ঞানিক পদ্ধতি গ্ৰহণ কৰি জীৱিকাৰ বাবে অতিৰিক্ত উপাৰ্জনৰ উৎস সংগ্ৰহ কৰিবলৈ আহ্বান জনায়। এই সভাত কৃষি বিজ্ঞান কেন্দ্ৰ , নলবাৰীৰ লগতে মীন বিভাগ , নলবাৰীয়ে অসম গৌৰৱ আৰু শ্ৰেষ্ঠ পাহাৰীয়া আৰু উত্তৰ পূৰ্বাঞ্চলৰ কৃষক দেবাজিৎ বৰ্মনক গুণগত মানৰ মাছৰ বীজ উৎপাদন আৰু মাছ উৎপাদনৰ ক্ষেত্ৰত কৰা উৎকৃষ্ট কামৰ বাবে সম্বৰ্ধনা জনায়। অসম গৌৰৱ দেৱজিৎ বৰ্মন উন্নত উৎপাদনৰ বাবে গুণগত মাছৰ বীজৰ লগতে বৈজ্ঞানিকভাৱে উন্নত মীন পালন প্ৰযুক্তি গ্ৰহণৰ বিষয়ে বক্তব্য আগবঢ়ায়। কাৰ্যসূচীৰ সময়ত তেওঁ সংমিশ্ৰিত মীন পালন পদ্ধতি আৰু উন্নত মানৰ মাছৰ পোনাৰ প্ৰতি গুৰুত্ব আৰোপ

National Fish Farmers Day observed at Krishi Vigyan Kendra Nalbari

KVK Nalbari, Assam

Date: 04.03.2023

সত্যনিষ্ঠ সাংবাদিকতাত উৎসর্গিত

গুৱাহাটী, ডেৰহাট আৰু লখিমপুৰৰ পৰা প্ৰকাশিত

আমাৰ অসম

Amar Axom

নামনিৰ বজাৰে বজাৰে কে�ৰেটিনা, ভেলেণ্টিনা

কমল কুমাৰ ডেকা (আমাৰ অসম), ৪ মাৰ্চ ঃ নলবাৰীকে ধৰি নামনি অসমৰ বজাৰে বজাৰে এতিয়া সহজলভ্য হৈ পৰিছে কেটৰিণা, ভেলেণ্টিনা। বাহজন উৎসুকতা আৰু আকৰ্ষণৰ অন্যতম কাৰণ হৈ উঠা এই কেৰেটিনা, ভেলেণ্টিনা কোনো চিনেমাৰ নায়িকা নহয়। নলবাৰীত থলুৱা আদৰ্শ খেতিয়কে উৎপাদন কৰা ভিন্নৰঙী ফুলকবিৰ নামহে কেৰেটিনা, ভেলেণ্টিনা। গ্ৰাহকৰ বাবে বজাৰত এই বিশেষ সোৱাদযুক্ত ভিন্নৰঙী ফুলকবি মুকলি কৰি দিছে আদৰ্শ খেতিয়ক সৰ্বেশ্বৰ হাজৰিকাই। নলবাৰী জিলাৰ পানীগাঁৱৰ বাসিন্দা হাজৰিকাই এই ব্যতিক্ৰমী কৃষিকাৰ্যৰ জৰিয়তে উঠি অহা প্ৰজন্মক আদৰ্শৰ বাট দেখুৱাবলৈ সক্ষম হৈছে। আদৰ্শ কৃষক হাজৰিকাই এতিয়া উৎপাদন কৰা ভেলেণ্টিনা আৰু কেৰেটিনা নামৰ দুবিধ ৰঙীন ফুলকবিৰ খেতি কৰি বিশেষ চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। কৃষক হাজৰিকাই নিজৰ কৃষিভূমিত বিশেষ কেতবোৰ পদ্ধতি অবলম্বন কৰি উৎপাদন কৰে এই দুবিধ ফুলকবি। ইতিমধ্যে এই ফুলকবিয়ে বজাৰত যথেষ্ট সমাদৰ লাভ কৰিছে। ক'বলৈ গ'লে এইজন প্ৰচাৰবিমুখ আদৰ্শ কৃষকে কাৰ্যতঃ ভেলেণ্টিনা-কেৰেটিনাৰ প্ৰেমত গদগদ হৈ পৰিছে। বজাৰত উপলব্ধ আৰু সহজলভ্য হৈ পৰা এই আকৰ্ষণীয় ফুলকবি প্ৰতি কেজিত ৫০ টকা মূল্যত বিক্ৰী কৰা বুলি কৃষক হাজৰিকাই 'আমাৰ অসম'ৰ আগত সদৰি কৰিছে। নলবাৰী কৃষি বিজ্ঞান কেন্দ্ৰৰ জৰিয়তে উক্ত কবি উৎপাদনৰ দিহা- পৰামৰ্শ লাভ কৰা আদৰ্শ কৃষকজনে উৎপাদন কৰা এই দুবিধ ফুলকবি এতিয়া দৈনিক বজাৰত বিক্ৰীৰ বাবে নাটনি হৈ পৰা বুলিও উল্লেখ কৰিছে। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত আয়োজিত কৃষি কৰ্মশালাত অংশগ্ৰহণ কৰি যথেষ্ট উপকৃত হোৱা কৃষক হাজৰিকাই বৰ্তমান ২০ বিঘা ভূমিত বিভিন্ন প্ৰজাতিৰ কবি, ধান, বেঙেনা, আলু, ঝিঙা, ৰাজমা, ৰঙালাউ আদিৰ খেতিও নিয়মীয়াকৈ কৰি আহিছে। মূলতঃ কেঁচুসাৰ প্ৰয়োগ কৰি বিভিন্ন ধৰণৰ খেতি কৰি আহিছে কৃষক হাজৰিকাই। কোনো ধৰণৰ বাসায়নিক সাৰ ব্যবহাৰ নকৰাকৈ কেৱল কেঁচুসাৰৰ জৰিয়তে এই বিশেষ প্ৰজাতিৰ ফুলকবি উৎপাদন কৰি যথেষ্ট লাভবান্বিত হৈ পৰা বুলিও কৃষক হাজৰিকাই প্ৰকাশ কৰিছে। ইপিনে মীন পালনৰ লগতে বিভিন্ন প্ৰজাতিৰ গাহৰি পালনৰ উৎপাদিত গাখীৰো বিক্ৰী কৰি আৰ্থিক ক্ষেত্ৰত যথেষ্ট সবল হোৱা বুলিও উল্লেখ কৰি তৰুণ প্ৰজন্মক তেওঁ কৃষি কাৰ্যৰ প্ৰতি আগ্ৰহী হ'বলৈ আহ্বান জনাইছে। ভালদৰে খেতি কৰিলে চৰকাৰী চাকৰিৰ কোনো প্ৰয়োজন নাই বুলিও বাৰ্তালাপ প্ৰসংগত উল্লেখ কৰিছে আদৰ্শ কৃষক সৰ্বেশ্বৰ হাজৰিকাই।



নতুন পাচলি। বজাৰত জনপ্ৰিয় ভিন্নৰঙী ফুলকবি

Carotena and Valentena in all the markets of lower Assam

KVK Nalbari, Assam

Date: 01.06.2023

অসমীয়া প্ৰতিদিন

Axomia Pratidin

নলবাৰীৰ কৃষি বিজ্ঞান কেন্দ্ৰত খাদ্য-সামগ্ৰী প্ৰস্তুতৰ প্ৰশিক্ষণ

প্ৰতিদিন বিশেষ সেৱা, নলবাৰী, ১ জুন ঃ খানাপাৰাস্থিত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়স্থিত অল ইণ্ডিয়া ক'-অৰ্ডিনেটেড বিছাৰ্চ প্ৰজেক্ট অন পোষ্ট হাৰ্ভেষ্ট ইঞ্জিনীয়াৰিং এণ্ড টেকনলজি কেন্দ্ৰৰ উদ্যোগত আৰু কৃষি বিজ্ঞান কেন্দ্ৰ, নলবাৰীৰ সহযোগত মাংস আৰু মাংসজাত সামগ্ৰীৰ উৎপাদন, তাৰ পৰা সুস্বাদু আৰু মুখবোচক বিভিন্নধৰণৰ খাদ্য-সামগ্ৰী প্ৰস্তুত আৰু মাংসৰ মূল্য সংযোজন শীৰ্ষক এদিনীয়া বিনামূলীয়া প্ৰশিক্ষণ নলবাৰীৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ চৌহদৰ সভাগৃহত ৩১ মে'ত অনুষ্ঠিত হয়। জিলাখনৰ ৩৫ গৰাকীৰো অধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলক শ্ৰেণীকোঠাৰ লগতে ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান কৰা হয়। কৃষি বিজ্ঞান কেন্দ্ৰৰ বিশেষজ্ঞ ডাঃ নীলোৎপল দাসে আঁত ধৰা অনুষ্ঠানটিত খানাপাৰাস্থিত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ পৰা অহা পশু পণ্য বিভাগৰ মুৰব্বী অধ্যাপক ড° সৌৰভ কুমাৰ লস্কৰ আৰু তেওঁৰ সহযোগী ক্ৰমে ড° সন্তোষ উপাধ্যায়, ড° দীপশিখা দেউৰী, ড° প্ৰতিভা গগৈ আৰু ড° সাধনা চৌধুৰীয়ে প্ৰশিক্ষাৰ্থীসকলক কুকুৰাৰ মাংসৰ পৰা কেনেকৈ সুস্বাদু, পুষ্টিকৰ তথা খাদ্যগুণ নষ্ট নোহোৱাকৈ স্বাস্থ্যসম্মত খাদ্য, কম সময়ত তথা কম খৰচত তৈয়াৰ কৰিব পাৰি, সেই সম্পৰ্কত বুজাই দিয়ে। শিবিৰটোত কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী ড° মনোজ কুমাৰ ভূঞাৰ লগতে নাচিমা ফাৰহানা আলীও উপস্থিত থাকে। অনুষ্ঠানটোৰ শেষত প্ৰশিক্ষাৰ্থীসকলে নিজৰ নিজৰ [illegible]

Training on preparation of different food product at Krishi Vigyan Kendra Nalbari

KVK Nalbari, Assam

Date: 04.03.2023

দৈনিক অগ্রদূত
সামাজিক দায়বদ্ধতাত অবিচল

Doinik Agrodut

নলবাৰীৰ কৃষি বিজ্ঞান কেন্দ্ৰ মাংসৰ পৰা মুখবোচক খাদ্য প্ৰস্তুতৰ প্ৰশিক্ষণ



অগ্রদূত বার্তা

ঘগ্রাপাৰ/নলবাৰী, ১ জুন ঃ অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়স্থিত অল ইণ্ডিয়া কো-অর্ডিনেটেড ৰিছার্চ প্রজেক্ট অন পোষ্ট হার্ভেষ্ট ইঞ্জিনিয়াৰিং এণ্ড টেকনল'জী কেন্দ্ৰৰ উদ্যোগত আৰু কৃষি বিজ্ঞান কেন্দ্ৰ নলবাৰীৰ সহযোগত মাংস আৰু মাংসজাত সামগ্ৰীৰ উৎপাদন, তাৰ পৰা সু-স্বাদু আৰু মুখবোচক বিভিন্ন ধৰণৰ খাদ্য-সামগ্ৰী প্ৰস্তুত আৰু মাংসৰ মূল্য সংযোজন শীৰ্ষক এদিনীয়া বিনামূলীয়া প্ৰশিক্ষণ কার্যসূচী কৃষি বিজ্ঞান কেন্দ্ৰ নলবাৰী চৌহদৰ প্ৰশিক্ষণ সভা গৃহত আজি অনুষ্ঠিত হয়। জিলাখনৰ ৩৫ গৰাকীৰো অধিক প্ৰশিক্ষার্থীয়ে অংশগ্ৰহণ কৰা প্ৰশিক্ষণটোত অংশগ্ৰহণকাৰীসকলক শ্ৰেণীকোঠাৰ লগতে ব্যবহাৰিক দুয়োধৰণৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। কৃষি বিজ্ঞান কেন্দ্ৰৰ বিশেষজ্ঞ ডাঃ নীলোৎপল দাসে আঁতধৰা অনুষ্ঠানটিত প্ৰশিক্ষক তথা প্ৰশিক্ষার্থীসকলৰ মাজত চা-চিনাকিৰ অন্তত প্ৰশিক্ষণটোৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে অৱগত কৰাৰ লগতে বিষয়বস্তু সম্পর্কত বিশেষজ্ঞসকলে বুজাই দিয়ে। খানাপাৰাস্থিত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ পৰা অহা পশু পণ্য বিভাগৰ মুৰব্বী অধ্যাপক ড° সৌৰভ কুমাৰ লস্কৰ আৰু তেওঁৰ সহযোগী ক্ৰমে ড° সন্তোষ উপাধ্যায়, ড°দীপশিখা দেউৰী, ড° প্ৰতিভা গগৈ আৰু ড° সাধনা চৌধুৰীয়ে প্ৰশিক্ষার্থীসকলক কুকুৰাৰ মাংসৰ পৰা বিভিন্ন ধৰণে কেনেকৈ সুস্বাদু, পুষ্টিকৰ তথা খাদ্যগুণ নষ্ট নোহোৱাকৈ স্বাস্থ্যসম্মত খাদ্য, কম সময়ত তথা কম খৰচত তৈয়াৰ কৰিব পাৰি, সেই সম্পর্কত পুংখানুপুংখভাৱে ব্যবহাৰিক জ্ঞান প্ৰদান কৰে। প্ৰশিক্ষণ শিবিৰটোত কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী ড° মনোজ কুমাৰ ভূঞা মুখ্য অতিথিৰূপে উপস্থিত থকাৰ উপৰি গাৰ্হস্থ বিজ্ঞানৰ বিজ্ঞানী নাচিমা ফাৰহানা আলী উপস্থিত থাকে। অনুষ্ঠানটোৰ শেষত প্ৰশিক্ষার্থীসকলে তেওঁলোকৰ অনুভব ব্যক্ত কৰাৰ লগতে ডাঃ নীলোৎপল দাসে শলাগৰ শৰাই আগবঢ়ায়।

Training on preparation of meat baded food product at Krishi Vigyan Kendra Nalbari

Date: 01.06.2023

KVK Nalbari, Assam

नलबाड़ी में मांस से स्वादिष्ट भोजन तैयार करने का प्रशिक्षण



नलबाड़ी, 1 जून (स.सं.)। कृषि विज्ञान केंद्र नलबाड़ी के सहयोग से असम कृषि विश्वविद्यालय केन्द्रीय पशु चिकित्सा विज्ञान संस्थान खानापारा कॉलेज में पोस्ट हार्वेस्ट इंजीनियरिंग और प्रौद्योगिकी केंद्र पर अखिल भारतीय समन्वित अनुसंधान परियोजना-सामग्री मांस की तैयारी पर एक दिवसीय निःशुल्क प्रशिक्षण कार्यक्रम आयोजित किया गया। कृषि विज्ञान केंद्र, नलबाड़ी के प्रशिक्षण हॉल में आज आयोजित प्रशिक्षण कार्यक्रम में जिले के 35 से अधिक प्रशिक्षणार्थी ने भाग लिया। प्रतिभागियों को चाय और नाश्ता दिया गया। प्रशिक्षण दोनों दिया गया। कार्यक्रम का संचालन डॉ. नीलोत्पल दास, विशेषज्ञ, कृषि विज्ञान केंद्र द्वारा किया गया। प्रशिक्षकों और प्रशिक्षुओं के परिचय के बाद वि शेषज्ञों ने प्रशिक्षण के उद्देश्य के बारे में बताया। अध्यक्षक डॉ. सौरभ कुमार लस्कर, पशु उत्पाद विभाग के प्रमुख, पशु चिकित्सा विज्ञान महाविद्यालय, खानापारा और उनके सहयोगियों डॉ. संतोष उपाध्याय, डॉ. दीपशिखा देउरी, डॉ. प्रतिभा गोस्वामी और डॉ. साधना चौधरी ने प्रशिक्षुओं को मुर्गी का मांस बनाने की विधि समझायी। स्वादिष्ट और पौष्टिक स्वास्थ्य भोजन करो और पोषण मूल्य को खोए बिना, इसे कम समय में और कम लागत में तैयार करने के बारे में पूरी तरह से व्यावहारिक ज्ञान प्रदान करता है। प्रशिक्षण शिविर में मुख्य अतिथि के रूप में कृषि विज्ञान केंद्र के वरिष्ठ वैज्ञानिक डॉ. मनोज कुमार भुइयां और गृह विज्ञान की वैज्ञानिक नसीमा फरहाना अली ने भाग लिया।

Training on preparation of different food product at Krishi Vigyan Kendra Nalbari

Date: 04.03.2023

KVK Nalbari, Assam

सामाजिक दायबद्धतात অবিচল

দৈনিক অগ্রদূত

Doinik Agrodut

শ্রেণীকোঠা-ব্যৱহাৰিক দিশত শিক্ষা প্ৰদান


নলবাৰী কৃষি বিজ্ঞান কেন্দ্ৰত মাংসৰ পৰা খাদ্য প্ৰস্তুতৰ প্ৰশিক্ষণ



নিয়মীয়া বাৰ্ত্তা, ঘয়াপাৰ, ২ জুন ঃ অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়স্থিত অল ইণ্ডিয়া কো-অর্ডিনেটেড বিছার্চ প্রজেক্ট অন পোষ্ট হাৰ্ভেষ্ট ইঞ্জিনীয়াৰিং এণ্ড টেকনলজী কেন্দ্ৰৰ উদ্যোগত আৰু কৃষি বিজ্ঞান কেন্দ্ৰ নলবাৰীৰ সহযোগত মাংস আৰু মাংসজাত সামগ্ৰীৰ উৎপাদন, তাৰ পৰা সু-স্বাদু আৰু মুখবোচক বিভিন্ন ধৰণৰ খাদ্য-সামগ্ৰী প্ৰস্তুত আৰু মাংসৰ মূল্য সংযোজন শীৰ্ষক এদিনীয়া বিনামূলীয়া প্ৰশিক্ষণ কাৰ্যসূচী কৃষি বিজ্ঞান কেন্দ্ৰ নলবাৰী চৌহদৰ প্ৰশিক্ষণ সভা গৃহত যোগা ৩০ মে'ত অনুষ্ঠিত হয়। জিলাখনৰ ৩৫গৰাকীৰো অধিক প্ৰশিক্ষণীয়ে অংশগ্ৰহণ কৰা প্ৰশিক্ষণটোত অংশগ্ৰহণকাৰীসকলক শ্ৰেণীকোঠাৰ লগতে ব্যৱহাৰিক দুযোধণৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। কৃষি বিজ্ঞান কেন্দ্ৰৰ বিশেষজ্ঞ ডঁ নীলোৎপল দাসে আঁত ধৰা অনুষ্ঠানটিত প্ৰশিক্ষক তথা প্ৰশিক্ষাৰ্থীসকলৰ মাজত চা-চিনাকিৰ অন্তত প্ৰশিক্ষণটোৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে অৱগত কৰাৰ লগতে বিষয়বস্তু সম্পৰ্কত বিশেষজ্ঞসকলে বুজাই দিয়ে। খানাপাৰাস্থিত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ পৰা অহা পশু পণ্য বিভাগৰ মুৰব্বী অধ্যাপক ডঁ সৌৰভ কুমাৰ লস্কৰ আৰু তেওঁৰ সহযোগী ক্ৰমে ডঁ সন্তোষ উপাধ্যায়, ডঁ দীপশিখা দেউৰী, ডঁ প্ৰতিভা গগৈ আৰু ডঁ সাধনা চৌধুৰীয়ে বিভিন্ন ধৰণে কেনেকৈ সুস্বাদু, পুষ্টিকৰ তথা খাদ্যগুণ নষ্ট নোহোৱাকৈ স্বাস্থ্যসম্মত খাদ্য কম সময়ত তথা কম খৰচত তৈয়াৰ কৰিব পাৰি, সেই সম্পৰ্কত পুখানুপুখভাবে ব্যৱহাৰিক জ্ঞান প্ৰদান কৰে। প্ৰশিক্ষণ শিবিৰটোত কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী ডঁ মনোজ কুমাৰ ভূঞা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ উপৰি গাৰ্হস্থ্য বিজ্ঞানৰ বিজ্ঞানী নাছিমা ফাৰহানা আলী উপস্থিত থাকে।

Training on preparation of food from meat at Krishi Vigyan Kendra Nalbari

KVK Nalbari, Assam



Gonostombha

কৃষি বিজ্ঞান কেন্দ্ৰ, নলবাৰীত আয়োজন ৰাষ্ট্ৰীয় মীন পালক দিৱস

কৃষকে মীন পালনৰ বৈজ্ঞানিক পদ্ধতিৰে জীৱিকাৰ উপাৰ্জনৰ উৎস গ্ৰহণ কৰক ঃ অংকুৰ ৰাজবংশী

গণস্তম্ভ, নলবাৰীস প্ৰথৰজ্যোতি কলিতা ঃ অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কৃষি বিজ্ঞান কেন্দ্ৰ, নলবাৰীত যোৱা কালি ৰাষ্ট্ৰীয় মীন পালক দিৱসৰ আয়োজন কৰা হয়। এই উপলক্ষে কৃষক, বিজ্ঞানী পাৰ্শ্বপৰিক ক্ৰিয়া-কলাপ আৰু মীন পোনা বিতৰণৰ কাৰ্যসূচী হাতত লোৱা হয়। এই সভা অনুষ্ঠিত কৰা হয় কৃষি বিজ্ঞান কেন্দ্ৰৰ প্ৰশিক্ষণ সভা কক্ষত। বিষয় বস্তু বিশেষজ্ঞ তথা সমন্বয়ক অংকুল ৰাজবংশীয়ে সকলো কৃষক আৰু প্ৰতিনিধিক আদৰণি জনাই কাৰ্যসূচীৰ বিষয়ে অৱগত কৰে। এই সভাত ৰাজবাংশীয়ে তেওঁৰ উদ্বোধনী ভাষণে ১৯৫৭ চনৰ ১০ জুলাই দিনটোকে প্ৰায়াত ড° হীৰালাল চৌধুৰী আৰু তেওঁৰ দলটোৱে মাছ প্ৰজননৰ প্ৰটকলাত বৈয়ক্তিক পৰিবৰ্তন আনিবলৈ প্ৰবোচিত প্ৰজনন প্ৰযুক্তি উদ্ভাবনৰ বাবে আগবঢ়োৱা অবদানৰ কথা উল্লেখ কৰে আৰু তেখেত সকলক সৌজন্যবোধ স্বীকৃতি দি এই সময়ছোৱাত দেশত মীন বিপ্লৱৰ শুকৰত চিঞৰ কৰে। তেওঁ কৃষক সকলক মীন পালনৰ বৈজ্ঞানিক পদ্ধতি গ্ৰহণ কৰি জীবিকাৰ বাবে অতিৰিক্ত উপাৰ্জনৰ উৎস সাগ্ৰহ কৰিবলৈ আহ্বান জনায়। এই সভাত কৃষি বিজ্ঞান কেন্দ্ৰ, নলবাৰীৰ লগতে বৈজ্ঞানিকভাবে উন্নত মীন পালন প্ৰযুক্তি গ্ৰহণৰ বিষয়ে বক্তব্য আগবঢ়ায়। কাৰ্যসূচীৰ সময়ত তেওঁ সংমিশ্ৰিত মীন পালন পদ্ধতি আৰু উন্নত মানৰ মাছৰ পোনাৰ প্ৰতি গুৰুত্ব আৰোপ কৰে। নলবাৰী জিলা মীন উন্নয়ন বিষয়া ত্ৰৈলোক্য শালৈয়ে কৃষকসকলক গ্ৰাহকে গ্ৰহণ কৰা মাছৰ প্ৰজাতিৰ উৎপাদনত অধিক মনোনিবেশ কৰিবলৈ আহ্বান জনায়। অসম গৌৰৱ দেবজিৎ বৰ্মন উন্নত মানৰ মাছৰ পোনাৰ প্ৰতি গুৰুত্ব আৰোপ কৰে। নলবাৰী জিলা মীন উন্নয়ন বিষয়া ত্ৰৈলোক্য শালৈয়ে কৃষকসকলক গ্ৰাহকে গ্ৰহণ কৰা মাছৰ প্ৰজাতিৰ উৎপাদনত অধিক মনোনিবেশ কৰিবলৈ আহ্বান জনায়। অসম গৌৰৱ দেবজিৎ বৰ্মন উন্নত পালন সম্ভাৱনাৰ বিষয়ে জান প্ৰদান কৰে। কৃষকসকলৰ সৈতে মত বিনিময় কৰাৰ সময়ত নলবাৰীৰ পশুপালন বিভাগৰ ড° হৰিপদ ভাগবতীয়ে কৃষক সকলক মীন পালনৰ বৈজ্ঞানিক পদ্ধতি গ্ৰহণ কৰিবলৈ আহ্বান জনায়। এই সভাত কৃষি বিজ্ঞান কেন্দ্ৰ, নলবাৰীৰ লগতে অন্যান্য কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানীসকলে উপস্থিত থাকি বিভিন্ন প্ৰশ্নসমূহৰ সঠিকভাবে উত্তৰ দিয়ে। এই সভাত বহুতো অংশগ্ৰহণকাৰী মীনপালকসকলে এই অঞ্চলত কাঁহী সময়ছোৱাত মানৰ মাছৰ পোনা বজাৰ পৰিসৰৰ বিষয়ে বাইচক উল্লেখ কৰে লগতে কৃষকসকলে উপাপন কৰা

KVK Nalbari, Assam

Date: 18.07.2023

সামাজিক দায়বদ্ধতাত অবিচল

দৈনিক অগ্রদূত

Doinik Agrodut

নলবাৰীত কৃষি ব্যৱসায়ীৰ প্ৰশিক্ষণ



অগ্রদূত বার্তা
নলবাৰী, ১৮ জুলাই : অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট আৰু বাজ্যিক কৃষি বিভাগৰ যুটীয়া উদ্যোগত নলবাৰী জিলা কৃষি বিভাগৰ সহযোগত কৃষি বিজ্ঞান কেন্দ্ৰ নলবাৰীৰ দ্বাৰা আজি কৃষি সামগ্ৰী ব্যৱসায়ীৰ ১৫ দিনীয়া প্ৰশিক্ষণ কার্যসূচী আৰম্ভ কৰা হয়। ৫০ জন কৃষি সামগ্ৰী ব্যৱসায়ীয়ে অংশগ্ৰহণ কৰা উক্ত কার্যসূচীত কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ডঃ মনোজ কুমাৰ ভূঞাই অনুষ্ঠানৰ আদৰণি ভাষণ দিয়াগবঢ়ায়। আনহাতে, জিলা কৃষি বিষয়া প্ৰৱীণ চন্দ্ৰ দৈমেধিয়ে কৃষি সামগ্ৰী ব্যৱসায়ী সকলক নিয়মানুযায়ী ব্যৱসায় চলাবলৈ আহ্বান জনোৱাৰ লগতে এই প্ৰশিক্ষণৰ গুৰুত্ব সম্পৰ্কে বিশদভাবে আলোচনা কৰে। জিলা কৃষি বিষয়াজনে বিভাগীয় আঁচনিসমূহৰ বিষয়েও অৱগত কৰে। উল্লেখ্য যে অহা চাৰি আগষ্টলৈকে ১৫ দিনীয়াকৈ কৃষি সামগ্ৰী ব্যৱসায়ীসকলক এই প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। কৃষি বিজ্ঞান কেন্দ্ৰ আৰু কৃষি বিভাগৰ উচ্চ পর্যায়ৰ বিষয়াসকলে কৃষি সামগ্ৰী ব্যৱসায়ী সকলক প্ৰশিক্ষণ প্ৰদান কৰিব। উক্ত অনুষ্ঠানত নলবাৰী জিলাৰ এছবিআইৰ মুখ্য প্ৰৱন্ধক জ্যোতিষ দাস আৰু ডিডিএম (নাবার্ড) উৎপল বেজবৰুৱা উপস্থিত থাকি তেওঁলোকেও গুৰুত্বপূর্ণ পৰামর্শ প্ৰদান কৰিব।

Training of Agriculture Traders in Nalbari

KVK Nalbari, Assam

Date: 19.07.2023

অসমীয়া প্রতিদিন

Axomia Pratidin

নলবাৰীত চি আৰ পি এফৰ উদ্যোগত গছপুলি ৰোপণ



প্রতিদিন সেৱা, নলবাৰী, ১৮ আগষ্ট : নলবাৰীৰ সন্নিয়হতলীস্থিত চি আৰ পি এফৰ ১৩৬ নং বেটেলিয়নৰ উদ্যোগত আজি ৪০০ গছপুলি ৰোপণ কৰা হয়। নলবাৰীৰ আই টি আই কলেজ, কৃষি বিষয়াৰ কার্যালয়, প্রতাপ নাৰায়ণ প্রাথমিক বিদ্যালয়সহ বিভিন্ন ঠাইত চি আৰ পি এফ বাহিনীৰ উদ্যোগত গছপুলি ৰোপণ কৰা হয়। এই কার্যসূচীত চি আৰ পি এফৰ ১৩৬ নং বেটেলিয়নৰ কমাণ্ডেণ্ট ৰবি কুমাৰ, উপ-কমাণ্ডেণ্ট সুস্মী দেৱযানী দেৱীসহ বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠানৰ প্রতিনিধিও উপস্থিত থাকে।

Tree plantation by CRPF in Nalbari

Date: : 19.07.2023

KVK Nalbari, Assam

स्वदेश আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে
নিয়মীয়া বার্তা

Niyomia Barta

'কৃষিৰ ক্ষেত্ৰত বেংকৰ ভূমিকা' সন্দর্ভত আলোচনা

নলবাৰী কৃষি বিজ্ঞান কেন্দ্ৰত কৃষি গৱেষণা পৰিষদৰ প্ৰতিষ্ঠা-কৃষি প্ৰযুক্তি দিৱস



নিয়মীয়া বার্তা, গুৱাহাটী, ১৯ জুলাই ঃ যোৱা ১৬ জুলাইৰ পৰা ১৮ জুলাইলৈ তিনিদিনীয়াকৈ ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ প্ৰতিষ্ঠা দিৱস আৰু কৃষি প্ৰযুক্তি দিৱস কৃষি বিজ্ঞান কেন্দ্ৰ নলবাৰীত উদ্যাপন কৰা হয়। এই উপলক্ষে যোৱা ১৬ জুলাইত এখন মুকলি সভা অনুষ্ঠিত হয়। সভাত জিলা কৃষি বিষয়া প্ৰবীণ মেধি, লিড বেংক পৰিচালক, বাজ্যিক কিষাণ মৰ্চাৰ উপ-সভাপতি ধনেশ্বৰ ডেকাকে ধৰি প্ৰায় ৫০গৰাকী আদৰ্শ কৃষক আৰু নলবাৰী কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী তথা কৰ্মচাৰীসকল উপস্থিত থাকে। কৃষি বিজ্ঞান কেন্দ্ৰটোৰ মুৰব্বী ড° মনোজ কুমাৰ ভুঞাই অভ্যাগতসকলক আদৰণি জনাই ভাৰতীয় কৃষি বিজ্ঞান পৰিষদৰ বিস্তাৰ, কৰ্মসূচী, গৱেষণালব্ধ ফল আৰু কৃষিৰ লগতে অৰ্থনৈতিক ক্ষেত্ৰত ইয়াৰ অবদানৰ বিষয়ে বহলাই ব্যাখ্যা কৰে। জিলা কৃষি বিষয়া প্ৰবীণ মেধিয়ে কৃষি গৱেষণা পৰিষদে উদ্ভাবন কৰা প্ৰযুক্তিৰ বিষয়ে অৱগত কৰি ভাষণ দিয়ে। কৃষি বিষয়া মেধিয়ে কৃষি প্ৰযুক্তি প্ৰদৰ্শনীখনো উদ্ঘোধন কৰে। আনহাতে লিড বেংক পৰিচালকগৰাকীয়ে 'কৃষিৰ ক্ষেত্ৰত বেংকৰ ভূমিকা' শীৰ্ষক বিভিন্ন দিশ সামৰি ভাষণ দিয়ে। বিশিষ্ট সমাজকৰ্মী তথা বাজ্যিক কিষাণ মৰ্চাৰ উপ-সভাপতি ধনেশ্বৰ ডেকাই কৃষিৰ ক্ষেত্ৰত আত্মনিয়োগ কৰি ব্যাবসায় ভিত্তিত কৃষিকৰ্ম কৰিবলৈ আহ্বান জনায়। ইতিমধ্যে বাজ্য চৰকাৰে কৃষি ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰিছে। কৃষি উন্নয়নৰ বাবে বিভিন্ন আঁচনি প্ৰস্তুত কৰিছে। গতিকে কৃষকসকলে ইয়াৰ সুবিধাসমূহ গ্ৰহণ কৰিব লাগে। যোৱা ১৭ আৰু ১৮ জুলাইৰ কাৰ্যসূচীত জিলাখনৰ প্ৰায় শতাধিক কৃষকে অংশগ্ৰহণ কৰি উপকৃত হোৱা বুলি জানিব পৰা গৈছে।

Discussion on the role of banks in agriculture Celebrate Foundation Day of Indian Council of Agricultural Research and Agricultural Technology Day at Krishi Vigyan Kendra Nalbari

Date: 18.07.2023

राज्यभर में पौधरोपण कार्यक्रम आयोजि







